
অধ্যায় ৮

# ধৰ্মনিৰপেক্ষতা



যেতিয়া এখন দেশৰ ভিতৰত বিভিন্ন জাতি-জনগোষ্ঠী আৰু বিভিন্ন সংস্কৃতি থাকে, তেতিয়া গণতান্ত্রিক ৰাষ্ট্রই সেই প্রত্যেকৰে কাৰণে কিদৰে সমতা সুনিশ্চিত কৰা উচিত? এই প্রশ্নটোৱেই ইয়াৰ আগৰটো অধ্যায়ৰ আলোচনাত মুখ্য স্থান পাইছিল। এই অধ্যায়ত আমি ধর্ম নিৰপেক্ষতাৰ ধাৰণাটো এই প্রশ্ন ক্ষেত্রত কিদৰে ব্যৱহাৰ কৰিব পৰা যায় সেই চেষ্টা কৰিম। ভাৰতবর্ষত ধর্ম নিৰপেক্ষতাৰ ধাৰণাটো সদায়েই ৰাজহুৱাভাৱে আলোচিত হৈ আহিছে আৰু সমূহীয়া বিতর্কতো ই স্থান পাইছে। তথাপি ভাৰতবর্ষত ধর্ম নিৰপেক্ষতাৰ ধাৰণাটো সম্পর্কে যথেষ্ট জটিলতা আছে। এফালে প্রায় প্রত্যেকজন ৰাজনীতিবিদে ধর্ম নিৰপেক্ষতাক সমর্থন কৰে আৰু প্রায় প্রত্যেকটো ৰাজনৈতিক দলে নিজক ধর্ম নিৰপক্ষ বুলি প্রচাৰ কৰে। আনহাতেদি সকলো ধৰণৰ উৎকণ্ঠা আৰু সন্দেহে এই ধাৰণাটোক আৱৰি ৰাখিছে। দৰাচলতে, কেৱল মাত্র ধর্মীয় গোড়া আৰু ধর্মীয় জাতীয়তাবাদীসকলেই নহয়, কিছুমান ৰাজনীতিবিদ, সামাজিক কর্মী আনকি বুদ্ধিজীৱীয়েও ধর্ম নিৰপেক্ষতাক প্রত্যাহ্বান জনাই আহিছে।

এই অধ্যায়ত আমি তলত দিয়া প্রশ্নসমূহৰ উত্তৰ বিচাৰি ধর্ম নিৰপেক্ষতাৰ ওপৰত চলি থকা বিতর্কটোত নিজকে নিয়োজিত কৰিবলৈ চেষ্টা কৰিম ঃ

Daily Assam

# ধৰ্ম নিৰপেক্ষতা

- ধৰ্ম নিৰপেক্ষতাৰ অৰ্থ কি?
- ধৰ্ম নিৰপেক্ষতা ভাৰতৰ মাটিত এক পশ্চিমীয়া ধাৰণা নেকি?
- যিবোৰ সমাজত ধৰ্মই ব্যক্তিগত জীৱনৰ ওপৰত এক শক্তিশালী প্ৰভাৱ বিস্তাৰ কৰে, সেইবোৰৰ সমাজত ধৰ্ম নিৰপেক্ষতাৰ ধাৰণাটো উপযুক্ত হয়নে?
- ধৰ্ম নিৰপেক্ষতা পক্ষপাতদুষ্ট নেকি? ই সংখ্যা লঘুসকলক অনাৱশ্যকভাৱে তোষামোদ কৰে নেকি?
- এই ধৰ্মনিৰপেক্ষতা ধৰ্ম বিৰোধী নে?

এই অধ্যায়ৰ শেষত তোমালোকে ভাৰতৰ দৰে গণতান্ত্ৰিক সমাজত ধৰ্মনিৰপেক্ষতাৰ গুৰুত্ব সম্পৰ্কে বুজি পাবা আৰু ইয়াৰ চৰিত্ৰ সম্পৰ্কেও জানিব পাৰিবা।

## ৪·1 ধৰ্মনিৰপেক্ষতা কি ? (What is Secularism?)

এসময়ত ইহুদীসকলে ইউৰোপত শতাব্দীজুৰি বৈষম্যৰ সন্মুখীন হৈছিল। বৰ্তমানৰ ইজৰাইল ৰাষ্ট্ৰত আকৌ খ্ৰীষ্টিয়ান আৰু ইছলামধৰ্মী আৰব সংখ্যালঘুসকল ইহুদীসকলে লাভ কৰা সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক সা-সুবিধাবোৰৰ পৰা বঞ্চিত। তদুপৰি ইউৰোপৰ বিভিন্ন অংশত অনা-খ্ৰীষ্টিয়ান লোকসকলৰ প্ৰতি এক বৈষম্যমূলক আচৰণ সাধাৰণভাৱে হ'লেও দেখা যায়। আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ পাকিস্তান আৰু বাংলাদেশতো ধৰ্মীয় সংখ্যালঘুসকলৰ অৱস্থাই যথেষ্ট উদ্বেগৰ সৃষ্টি কৰিছে। এনেবোৰ উদাহৰণে আমাক আজিৰ সমাজত জনসাধাৰণৰ বাবে ধৰ্মনিৰপেক্ষতাৰ গুৰুত্বৰ কথা সোঁৱৰাই দিয়ে।

### বিভিন্ন ধৰ্মীয় প্ৰাধান্যতা (Inter-religious Domination)

ভাৰতীয় সংবিধানে ঘোষণা কৰিছে যে প্ৰত্যেক ভাৰতীয় নাগৰিকৰে ভাৰতৰ যিকোনো অংশতে স্বাধীনতা আৰু মৰ্যাদাৰে জীয়াই থকাৰ অধিকাৰ আছে। কিন্তু প্ৰকৃত ক্ষেত্ৰত এনে নীতিৰ প্ৰচলনত বহুবোৰ বৈষম্য দেখিবলৈ পোৱা যায়। তলত দিয়া উদাহৰণ কেইটামান মন কৰাচোন ঃ

- 1984 চনত প্ৰায় চাৰি হেজাৰ শিখ লোকক দিল্লী আৰু দেশৰ আন আন অংশত হত্যা কৰা হৈছিল। এই হত্যা কৰা লোকসকলৰ পৰিয়ালবোৰে ভাবে যে দোষীসকলক শাস্তি দিয়া নহ'ল।

- কাশ্মীৰ উপত্যকাৰ বহু হেজাৰ হিন্দু পণ্ডিতক নিজৰ ঘৰ এৰি যাবলৈ বাধ্য কৰোৱা হৈছিল। আজি প্ৰায় দুই দশকতকৈও অধিক সময় ধৰি তেওঁলোক ঘৰলৈ ঘূৰি যাব পৰা নাই।
- 2002 চনত প্ৰায় দুহেজাৰ ইছলামধৰ্মী লোকক গুজৰাটত হত্যা কৰা হৈছিল। সেই পৰিয়ালবিলাকৰ লোকসকল এতিয়াও তেওঁলোকৰ গাঁৱলৈ ঘূৰি যাব পৰা নাই।

ওপৰৰ উদাহৰণবোৰৰ উমৈহতীয়া দিশটো কি? ইয়াৰ প্ৰত্যেকটো উদাহৰণেই এক এক ধৰণৰ বৈষম্য। ইয়াৰ প্ৰত্যেকটো উদাহৰণতেই এটা ধৰ্মীয় সম্প্ৰদায়ৰ লোকসকলে তেওঁলোকৰ ধৰ্মীয় পৰিচয়ৰ কাৰণে বৈষম্যৰ সন্মুখীন হৈছে। এক কথাত ক'বলৈ গ'লে এক বুজন শ্ৰেণীৰ নাগৰিকক তেওঁলোকৰ মৌলিক স্বাধীনতাৰ পৰা বঞ্চিত কৰা হৈছে। কিছুমানে এইবুলিও ক'ব বিচাৰে যে এই ঘটনাবোৰ ধৰ্মীয় আক্ৰোশৰ উদাহৰণ আৰু এইবোৰে এটা ধৰ্মৰ ওপৰত আন এটা ধৰ্মৰ দমনমূলক নীতি প্ৰকাশ কৰে।

ধৰ্মনিৰপেক্ষতা এনে এক আদৰ্শ, যি সকলোধৰণৰ ধৰ্মীয় দমন নীতিৰ বিৰোধী। এই টো অৱশ্যে ধৰ্মনিৰপেক্ষতাৰ এটা মাত্ৰ গুৰুত্বপূৰ্ণ দিশৰ পৰিচায়ক। ধৰ্মনিৰপেক্ষতাৰ আন এক গুৰুত্বপূৰ্ণ দিশ এটা ধৰ্মৰ ভিতৰতে একাংশ লোকে দমনমূলক নীতিৰো বিৰোধিতা কৰাটো। এতিয়া আমি এই বিষয়টো গভীৰভাৱে আলোচনা কৰিম।

## এটা ধৰ্মৰ ভিতৰতে একাংশৰ দমনমূলক প্ৰাধান্যতা (Intra-religious Domination)

কিছুমান মানুহে বিশ্বাস কৰে যে ধৰ্ম হৈছে জনসাধাৰণৰ একপ্ৰকাৰ নিচা। যিদিনা মানুহৰ সকলো মৌলিক প্ৰয়োজনীয়তা পূৰণ হৈ যাব আৰু মানুহে এখন সুখী সমাজত জীৱন-যাপন কৰিব সেইদিনাই ধৰ্মৰ প্ৰয়োজনীয়তা লাহে লাহে নোহোৱা হৈ পৰিব। এনে দৃষ্টিভংগী সাধাৰণতে মানুহৰ শক্তি সম্পৰ্কে এক অতিৰঞ্জিত দৃষ্টিভংগীৰ পৰা সৃষ্টি হৈছে। মানুহে যে কেতিয়াবা পৃথিৱীখনক সম্পূৰ্ণৰূপে জানিব পাৰিব, সেই বিষয়ে সন্দেহৰ অৱকাশ আছে। আমি আমাৰ জীৱনৰ দৈৰ্ঘ্য বৃদ্ধি কৰিব পাৰো। কিন্তু অমৰ হ'ব নোৱাৰো। ৰোগ-ব্যাধিক মানুহৰ জীৱনৰ পৰা কেতিয়াও নোহোৱা কৰিব

নোৱাৰি আৰু দুৰ্ঘটনা আৰু ভাগ্যৰ লেখীয়া উপাদানসমূহকো দৈনন্দিন জীৱনৰ পৰা সম্পূৰ্ণৰূপে বাদ দিব নোৱাৰি। দৰাচলতে, বিচ্ছিন্নতা আৰু যিকোনো উপাদান হেৰুওৱাটো মানুহৰ জীৱনৰ এক অন্যতম দিশ। আমাৰ কষ্টসমূহৰ বেছিভাগেই যিহেতু আমি নিজেই সৃষ্টি কৰা, সেয়েহে সেইবোৰক নিৰ্মূল কৰিব পৰা যায়। কিন্তু আমাৰ কষ্টসমূহ কিছুমান মানুহে সৃষ্টি কৰা নহয়। ধৰ্ম, কলা আৰু দৰ্শন আদি হৈছে এনে কষ্ট নিৰ্মূল কৰাৰ প্ৰচেষ্টা। ধৰ্মনিৰপেক্ষতাই ইয়াক স্বীকাৰ কৰে আৰু সেয়েহে ইয়াক ধৰ্মবিৰোধী বুলি ক'ব নোৱাৰি।

অৱশ্যে ধৰ্মৰো কিছুমান গভীৰ সমস্যা আছে। উদাহৰণস্বৰূপে, যি ধৰ্মই পুৰুষ আৰু মহিলাক সমানেই গুৰুত্ব দিয়ে, তেনে ধৰ্ম বিচাৰি পোৱাই টান। হিন্দু ধৰ্মত একাংশ লোক সদায়েই বৈষম্যৰ বলি হ'ব লগা হৈছে। উদাহৰণস্বৰূপে, দলিতসকলক হিন্দু মন্দিৰসমূহত প্ৰৱেশ কৰাত বাধা আৰোপ কৰা হৈছে। আমাৰ দেশৰ কিছু কিছু অংশত হিন্দু মহিলাসকলকো মন্দিৰত সোমাবলৈ দিয়া নহয়। ধৰ্মীয় সংগঠনসমূহকো সংৰক্ষণশীল উপাদানসমূহে নিয়ন্ত্ৰণ কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে দেশতো ধৰ্মীয় মৌলবাদ এক ডাঙৰ সমস্যা, যিয়ে দেশৰ বাহিৰে-ভিতৰে শান্তি বিঘ্নিত কৰিছে। বহু ধৰ্মৰ মাজত আকৌ সৰু সৰু ফৈদৰো সৃষ্টি হৈছে আৰু এই ফৈদসমূহৰ মাজত সঘনাই হিংসাত্মক সম্বন্ধ গঢ়ি উঠা দেখা যায়।

গতিকে দেখা যায় যে এটা ধৰ্মই আন এটা ধৰ্মৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰাৰ উপৰি এটা ধৰ্মৰ ভিতৰতো ধৰ্মীয় বৈষম্যৰ প্ৰভাৱ থাকে। যিহেতু ধৰ্মনিৰপেক্ষতা সকলো ধৰণৰ আনুষ্ঠানিক আৰু প্ৰতিষ্ঠিত ধৰ্মীয় প্ৰাধান্যতাৰ (আধিপত্যৰ) বিৰোধী সেয়েহে ই বিভিন্ন ধৰ্মীয় আধিপত্যৰ লগতে এটা ধৰ্মৰ ভিতৰৰো ধৰ্মীয় প্ৰাধান্যতাৰ বিৰোধিতা কৰা দেখা যায়।

আমি এতিয়া ধৰ্মনিৰপেক্ষতাৰ এটা সাধাৰণ ধাৰণা লাভ কৰিছোঁ। ই এনে এক ধাৰণা যিয়ে ধৰ্ম নিৰপেক্ষ সমাজ এখন গঢ়িবলৈ চেষ্টা কৰে। ই ভিন্ন ধৰ্ম আৰু এটা ধৰ্মৰ মাজৰ ধৰ্মীয় প্ৰাধান্যতাৰ বিৰোধী। ইতিবাচক অৰ্থত ই ধৰ্মসমূহৰ মাজত স্বাধীনতাৰ প্ৰসাৰ ঘটায় আৰু বিভিন্ন ধৰ্মৰ আৰু এটা ধৰ্মৰ ভিতৰতে সমতাৰ সৃষ্টি কৰে। এইখিনিতে আমি কি ৰাষ্ট্ৰ ব্যৱস্থাৰ অধীনত ধৰ্মনিৰপেক্ষতাৰ উদ্দেশ্য ৰূপায়িত কৰিব পাৰি, সেই বিষয়ে আলোচনা কৰিম।

## 8.2 ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ (Secular State)

ধৰ্মীয় বৈষম্যক বাধা দিয়াৰ এটা উপায় হৈছে উমৈহতীয়া কল্যাণৰ কাৰণে একেলগে কাম কৰা। উপযুক্ত শিক্ষাৰ জৰিয়তে মানুহৰ মনোবৃত্তি সলনি কৰিব পাৰি। বিভিন্ন ধৰ্মৰ মানুহে উমৈহতীয়া কল্যাণৰ কাৰণে কৰা কামৰ উদাহৰণেও বিভিন্ন ধৰ্মীয় সম্প্ৰদায়ৰ মাজত সন্দেহৰ দৃষ্টিভংগী আতৰোৱাতো সহায় কৰে। সাম্প্ৰদায়িক সংঘৰ্ষৰ সময়ত হিন্দুৱে মুছলমানক আৰু মুছলমানে হিন্দুক ৰক্ষা কৰাৰ বাতৰিয়ে স্বাভাৱিকতেই সম্প্ৰদায়সমূহক উৎসাহিত কৰি তোলে। কিন্তু কেৱল শিক্ষা আৰু কিছুসংখ্যক মানুহৰ ভাল মনোবৃত্তিয়েই ধৰ্মীয় বৈষম্য আতৰ কৰিব নোৱাৰে। আধুনিক ৰাষ্ট্ৰ ব্যৱস্থাৰ শক্তি যথেষ্ট বেছি। সেয়েহে ৰাষ্ট্ৰ ব্যৱস্থাই কিদৰে কাৰ্যনিৰ্বাহ কৰে, তাৰ ওপৰত সম্প্ৰদায়সমূহৰ মাজৰ সংঘৰ্ষ আৰু ধৰ্মীয় বৈষম্য ৰোধ কৰাত যথেষ্ট পৰিমাণে নিৰ্ভৰ কৰে। এই কাৰণতেই আমি ধৰ্মীয় সংঘৰ্ষক বাধা দিবলৈ কেনেধৰণৰ ৰাষ্ট্ৰব্যৱস্থাৰ প্ৰয়োজন হ'ব, তাক আলোচনা কৰিব খুজিছো।

> **আমি কৰো আহা**
>
> সাম্প্ৰদায়িক সমন্বয় উন্নত কৰিবৰ কাৰণে কেইটামান পদ্ধতি উল্লেখ কৰি এখন তালিকা প্ৰস্তুত কৰা।

এটা ধৰ্মীয় গোষ্ঠীৰ প্ৰাধান্যতাক বাধা দিবলৈ ৰাষ্ট্ৰই কি কৰা উচিত? পোনতেই কোনো ধৰ্মীয় মুৰব্বীয়ে ৰাষ্ট্ৰৰ শাসন পৰিচালনা কৰিব নালাগে। এইখিনিতে আমি মধ্যযুগৰ ইউৰোপৰ ধৰ্মতান্ত্ৰিক পোপ-প্ৰধান বা বৰ্তমানৰ তালিবান নিয়ন্ত্ৰিত ৰাষ্ট্ৰ-ব্যৱস্থাৰ কথা উল্লেখ কৰিব পাৰো। এনেবোৰ ৰাষ্ট্ৰত ধৰ্মীয় আৰু ৰাজনৈতিক অনুষ্ঠানসমূহৰ মাজত কোনো বিভাজন নাথাকে আৰু আন আন ধৰ্মৰ মানুহক ধৰ্মীয় অধিকাৰ ভোগ কৰিবলৈ দিয়া নহয়। যদি আমি শান্তি, স্বাধীনতা আৰু সমতাক গুৰুত্ব দিওঁ তেতিয়া আমি ধৰ্মীয় আৰু ৰাষ্ট্ৰীয় অনুষ্ঠানসমূহক পৃথক কৰিবই লাগিব।

কিছুমান মানুহে ভাবে যে ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিবলৈ হ'লে ৰাষ্ট্ৰ আৰু ধৰ্মক পৃথক কৰিবই লাগিব। কিন্তু প্ৰকৃততে সেয়া নহয়। পৃথিৱীত এনে বহুতো ৰাষ্ট্ৰ আছে, যিবোৰ ধৰ্মভিত্তিক নহয় অথচ এটা নহয় আন এটা ধৰ্মৰ সৈতে নিকট সম্বন্ধ আছে। উদাহৰণস্বৰূপে, ষোড়শ শতিকাত ইংলেণ্ডৰ ধৰ্মীয় মুৰব্বীসকলে শাসন কৰা নাছিল অথচ ইংলেণ্ডৰ গিৰ্জাৰ সৈতে তেওঁলোকে এটা সু-সম্পৰ্ক বজাই ৰাখিছিল।



প্ৰকৃতাৰ্থত ধৰ্মনিৰপেক্ষ হ'বলৈ হ'লে এখন ৰাষ্ট্ৰই ধৰ্মতান্ত্ৰিক হ'বলৈ অস্বীকাৰ

কৰিব লাগিব আৰু তাৰ লগতে কোনো ধৰ্মৰে সৈতে আনুষ্ঠানিক আৰু আইনগত সম্পৰ্ক থাকিব নালাগিব। এই ধৰ্ম আৰু ৰাষ্ট্ৰৰ পৃথকীকৰণ ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰৰ বাবে এক প্ৰয়োজনীয় উপাদান। কিন্তু কেৱল এই উপাদানেই ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰৰ বাবে যথেষ্ট নহয়। এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ এনে নীতি আৰু উদ্দেশ্যৰ প্ৰতি অনুপ্ৰাণিত হ'ব লাগে যিবোৰ অনা-ধৰ্মীয় উৎসৰ লগত জড়িত। এই উদ্দেশ্যবোৰৰ সৈতে শান্তি, ধৰ্মীয় স্বাধীনতা, ধৰ্মভিত্তিক শোষণ, বৈষম্য আদিও জড়িত হৈ থাকে।

ধৰ্মনিৰপেক্ষতাৰ উদ্দেশ্য আগত ৰাখি ৰাষ্ট্ৰক সংগঠিত ধৰ্ম আৰু ইয়াৰ অনুষ্ঠানসমূহৰ পৰা পৃথক কৰি ৰাখিব লাগিব। অৱশ্যে এই পৃথকীকৰণৰ নিৰ্দিষ্ট ৰূপ নাই। সাধাৰণতে এনে পৃথকীকৰণৰ বেলেগ বেলেগ ৰূপ থাকিব পাৰে। ইয়াৰ লগত সামাজিক মূল্যবোধ আৰু ইয়াৰ সৈতে মূল্যবোধ কিদৰে জড়িত হৈ থাকে সেই বিষয়ে বিশেষ গুৰুত্ব দিয়া হয়। আমি এতিয়া ধৰ্মনিৰপেক্ষতা সন্দৰ্ভত মূলতঃ দুটা গুৰুত্বপূৰ্ণ ধাৰণা, আলোচনা কৰিম। প্ৰথম, ধৰ্মনিৰপেক্ষতাৰ পশ্চিমীয়া ধাৰণা, যিটো আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰতিফলিত কৰে আৰু দ্বিতীয়তে ভাৰত ৰাষ্ট্ৰই প্ৰতিফলিত কৰে।

**আলোচনা কৰো আহা**

বেলেগ বেলেগ ধৰ্মৰ বিষয়ে জনাটো আনৰ বিশ্বাসক সন্মান কৰিবলৈ আগবঢ়োৱা প্ৰথম পদক্ষেপ। কিন্তু তাৰ অৰ্থ এইটো নহয় যে মৌলিক মানৱীয় মূল্যবোধৰ পক্ষত আমি থিয় দিব নোৱাৰিম।

### 8·3 ধৰ্মনিৰপেক্ষতাৰ পশ্চিমীয়া ধাৰণা (The Western Model of Secularism)

সকলোবোৰ ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰৰে এক উমৈহতীয়া বৈশিষ্ট্য আছে। সেইটো হৈছে যে কোনো ৰাষ্ট্ৰই ধৰ্মতান্ত্ৰিক নহয় আৰু তেওঁলোকে কোনো ধৰ্ম প্ৰতিষ্ঠা নকৰে। এই ধাৰণাত ধৰ্ম আৰু ৰাষ্ট্ৰৰ পৃথকীকৰণ এক পাৰস্পৰিক পৃথকীকৰণ। এই ব্যৱস্থাত ৰাষ্ট্ৰই ধৰ্মৰ ক্ষেত্ৰত কোনো হস্তক্ষেপ নকৰিব। প্ৰত্যেকৰে এক নিজস্ব ক্ষেত্ৰ আছে। ৰাষ্ট্ৰৰ কোনো নীতি সম্পূৰ্ণভাৱে ধৰ্মীয় ভিত্তিত প্ৰতিষ্ঠা হ'ব নোৱাৰিব। তদুপৰি কোনো ধৰণৰ ধৰ্মীয় শ্ৰেণী বিভাজন ৰাষ্ট্ৰীয় নীতিৰ অংশ হ'ব নোৱাৰিব। যদি এনে হয় তেতিয়া ধৰ্মই ৰাষ্ট্ৰৰ বিষয়ত অবৈধভাৱে প্ৰৱেশ কৰাটো বুজাব।

একেদৰে ৰাষ্ট্ৰই কোনো ধৰণৰ ধৰ্মীয় অনুষ্ঠানক সহায় কৰিব নোৱাৰিব। ধৰ্মীয় সম্প্ৰদায়সমূহে স্থাপন কৰা শিক্ষানুষ্ঠানসমূহলৈও ৰাষ্ট্ৰই বিত্তীয় সমৰ্থন আগবঢ়াব

# ৰাজনৈতিক তত্ত্ব

## কেমাল আটাতুৰ্কৰ ধৰ্মনিৰপেক্ষতা (Kemal Ataturk's Secularism)

ইয়াত আমি কুৰি শতিকাৰ আৰম্ভণিতে তুৰস্কত প্ৰচলিত হৈ থকা বিশেষ প্ৰকাৰৰ ধৰ্মনিৰপেক্ষতাৰ বিষয়ে উল্লেখ কৰিব খুজিছো। এই ধৰ্মনিৰপেক্ষতাই প্ৰতিষ্ঠিত ধৰ্মৰ পৰা নীতি ভিত্তিক দূৰত্ব বুজোৱা নাছিল। তাৰ পৰিৱৰ্তে এই ধৰ্মনিৰপেক্ষতাই ধৰ্মক দমন কৰি ৰখাতহে উদগণি দিছিল। ধৰ্মনিৰপেক্ষতাত এই ধাৰণাটো তুৰস্কত মুস্তাফা কেমাল আটাতুৰ্কে আগবঢ়াইছিল। তেওঁ প্ৰথম যুদ্ধৰ পিছতেই ক্ষমতালৈ আহিছিল। তেওঁৰ তুৰ্কীৰ ৰাজহুৱা জীৱনত খলিফা অনুষ্ঠানটো সম্পূৰ্ণৰূপে নিঃশেষ কৰি দিবলৈ দৃঢ় প্ৰতিজ্ঞ আছিল। আটাতুৰ্কে বিশ্বাস কৰিছিল যে পৰম্পৰাগত চিন্তা-চৰ্চাৰ পৰা আঁতৰি আহিব পাৰিলেহে দেশখনৰ উন্নতি সম্ভৱ হ'ব। তেওঁ সজোৰে তুৰস্কক আধুনিক আৰু ধৰ্মনিৰপেক্ষ কৰি তুলিবলৈ চেষ্টা কৰিছিল। সেয়েহে তেওঁ তেওঁৰ নামটোও মুস্তাফা কামাল পাছাৰ পৰা কেমাল আটাতুৰ্ক কৰিছিল। আটাতুৰ্ক শব্দটোৰে তুৰ্কী সকলৰ পিতৃক বুজাইছিল। তেওঁ আইনৰ জৰিয়তে মুছলমানসকলে পিন্ধা ফেজ টুপিটো বন্ধ কৰি দিছিল আৰু পুৰুষ আৰু মহিলা উভয়কে পশ্চিমীয়া সাজ-পোছাক পিন্ধিবলৈ উৎসাহিত কৰিছিল। তুৰ্কীসকলৰ পৰম্পৰাগত কেলেণ্ডাৰ আঁতৰাই পশ্চিমীয়া কেলেণ্ডাৰৰ প্ৰচলন কৰা হৈছিল। 1928 চনত তুৰ্কসকলৰ এক নতুন বৰ্ণমালা গ্ৰহণ কৰা হৈছিল। তুমি এনেকুৱা এক ধৰ্মনিৰপেক্ষতাৰ কথা কল্পনা কৰিব পাৰানে, যিটোৱে তোমাৰ নিজৰ পৰিচয় ৰখাৰ স্বাধীনতা নিদিয়ে, যিয়ে তোমাৰ সাজ-পোছাক সলনি কৰিব খোজে আৰু তুমি কোৱা ভাষাও বদলাই দিব খোজে? তোমাৰ মতে আটাতুৰ্কৰ ধৰ্মনিৰপেক্ষতা ভাৰতীয় ধৰ্মনিৰপেক্ষতাৰ পৰা কোনখিনিত বেলেগ?

নোৱাৰিব। ধৰ্মনিৰপেক্ষ সমাজত ৰাষ্ট্ৰই ধৰ্মীয় সম্পদায়সমূহৰ কাৰ্যকলাপসমূহকো বাধা দিব নোৱাৰিব। উদাহৰণস্বৰূপে, যদি এটা ধৰ্মীয় অনুষ্ঠানে মহিলাক পুৰোহিত হোৱাত বাধা দিয়ে, তেতিয়াহ'লে ৰাষ্ট্ৰই এই বিষয়ে একো কৰিব নোৱাৰিব। তদুপৰি যদি এটা ধৰ্মীয় সম্প্ৰদায়ে কিছুসংখ্যক ধৰ্মীয় বিসম্বাদীক বহিষ্কাৰ কৰে, তেতিয়া ৰাষ্ট্ৰও এক মৌন সাক্ষী হৈ থকাৰ বাহিৰে আন একো কৰিব নোৱাৰিব। আনকি যদি এটা ধৰ্মই ইয়াৰে কিছু সংখ্যক লোকক সেই ধৰ্মৰ উপাসনাৰ স্থলত সোমোৱাত বাধা নিষেধ আৰোপ কৰে তেতিয়া ৰাষ্ট্ৰয়ো সেই বিষয়টো তাতেই এৰিব লাগিব। আন কথাত ক'বলৈ হ'লে ধৰ্ম হৈছে এটা সম্পূৰ্ণ ব্যক্তিগত বিষয় যিটোৰ লগত ৰাষ্ট্ৰৰ নীতি আৰু আইন জড়িত নহয়।

এই ধাৰণাত স্বাধীনতা আৰু সমতা সম্পূৰ্ণৰূপে ব্যক্তিগত ধাৰণা। স্বতন্ত্ৰতা হৈছে ব্যক্তিৰ স্বতন্ত্ৰতা। সমতা হৈছে ব্যক্তিৰ মাজৰ সমতা। এটা গোষ্ঠী বা সম্প্ৰদায়ৰ নিজৰ বিচাৰ মতে আগবঢ়োৱাৰ কোনো সুবিধা নাই। গোষ্ঠীভিত্তিক বা সংখ্যালঘুৰ

সম্প্ৰদায়ৰ সুবিধা একেবাৰে সীমিত। পশ্চিমীয়া সমাজৰ ইতিহাসে এনেধৰণৰ সমাজৰ ধাৰণাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰে। দৰাচলতে, ইহুদীসকলৰ বাহিৰে পশ্চিমীয়া সমাজখনত একে ধৰণৰ ধৰ্মৰ প্ৰাধান্য দেখা যায়। সেয়েহে পশ্চিমীয়া সমাজত এটা ধৰ্মৰ ভিতৰতে প্ৰাধান্য থাকে। সেয়েহে ৰাষ্ট্ৰ আৰু গিৰ্জাৰ পৃথকীকৰণৰ ওপৰত যিদৰে গুৰুত্ব দিয়া হয়, বিভিন্ন ধৰ্মীয় সমতা বা সংখ্যালঘুৰ অধিকাৰৰ দিশটো প্ৰায়েই আওকাণ কৰা হয়।

ধৰ্মনিৰপেক্ষতাৰ এনে মূল সুঁতিৰ ধাৰণাত ৰাষ্ট্ৰ সমৰ্থিত ধৰ্মীয় সংস্কাৰৰ কোনো স্থান নাই। এই বৈশিষ্ট্যটোৱে প্ৰত্যক্ষভাৱে অনুসৰণ কৰে এই বুজনিৰ দ্বাৰা যে গিৰ্জা ধৰ্মৰ পৰা ৰাষ্ট্ৰৰ পৃথকীকৰণ পাৰস্পৰিক বৰ্হিভুক্ত এক সম্পৰ্কক বুজায়।

## 8·4 ভাৰতীয় আৰ্হিৰ ধৰ্মনিৰপেক্ষতা (The Indian Model of Secularism)

কেতিয়াবা এনেদৰে কোৱা হৈছে যে ভাৰতীয় ধৰ্মনিৰপেক্ষতা পশ্চিমীয়া ধৰ্মনিৰপেক্ষতাৰ এক অনুকৰণ। কিন্তু আমাৰ সংবিধানখন ভালদৰে অধ্যয়ন কৰিলে এনে হয় যেন নালাগে। ভাৰতীয় ধৰ্মনিৰপেক্ষতাই পশ্চিমীয়া ধৰ্ম নিৰপেক্ষতাৰ দৰে কেৱল গিৰ্জা আৰু ৰাষ্ট্ৰৰ


### ধৰ্ম নিৰপেক্ষতা

#### ধৰ্ম নিৰপেক্ষতাৰ বিষয়ে নেহৰুৰ দৃষ্টিভংগী

এজন ছাত্ৰৰ প্ৰশ্নৰ উত্তৰ দি নেহৰুৱে কৈছিল যে ৰাষ্ট্ৰৰ দ্বাৰা সকলো ধৰ্মকে সমানে ৰক্ষণা বেক্ষণ দিয়াটোৱেই হৈছে স্বাধীন ভাৰতৰ ধৰ্মনিৰপেক্ষতাৰ মূল দিশ। নেহৰুৰ মতে, এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰই সকলো ধৰ্মকে ৰক্ষা কৰিব। কিন্তু কোনো ধৰ্মকে বিশেষ দৃষ্টিভংগীৰে নাচায় আৰু ৰাষ্ট্ৰ ধৰ্ম হিচাপে কোনো ধৰ্মকে গ্ৰহণ নকৰে। সঁচাকৈয়ে নেহৰু আছিল ভাৰতৰ ধৰ্ম নিৰপেক্ষতাৰ দিক দৰ্শনৰ প্ৰকৃত দাৰ্শনিক।

নেহৰুৱে কোনো ধৰ্মক মানি নলৈছিল আৰু ভগৱানৰ ধাৰণাটোৰ ওপৰতো তেওঁৰ বিশ্বাস নাছিল। তেওঁৰ মতে, ধৰ্মনিৰপেক্ষতাই কোনো ধৰ্মৰে বিৰুদ্ধাচৰণ নকৰে। ই দেখুৱাইছে যে নেহৰুৰ ধৰ্মনিৰপেক্ষতাৰ ধাৰণা তুৰস্কৰ আটাতুৰ্কৰ ধাৰণাৰ পৰা সম্পূৰ্ণৰূপে বেলেগ আছিল। তদুপৰি নেহৰুৱে ধৰ্মনিৰপেক্ষতাৰ নামত ধৰ্ম আৰু ৰাষ্ট্ৰৰ মাজত পৃথকীকৰণ নিবিচাৰিছিল। এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰই সামাজিক সংস্কাৰৰ স্বাৰ্থত ধৰ্মীয় বিষয়টো হস্তক্ষেপ কৰিব পাৰিব। ভাৰতবৰ্ষৰ পৰা জাতিগত বৈষম্য যৌতুক প্ৰথা আৰু সতীদাহ প্ৰথা নিৰ্মূল কৰাত আৰু ভাৰতীয় মহিলাক সামাজিক স্বাধীনতা আৰু আইনগত অধিকাৰ দিবৰ কাৰণে নেহৰুৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

যিদৰে নেহৰু বেছি ভাগ বিষয়তে থিঠিল আৰু উদাৰ আছিল, সেইদৰে তেওঁ এটা বিষয়ৰ ওপৰত কোনো আপোচ নকৰিছিল। তেওঁৰ মতে, ধৰ্মনিৰপেক্ষতা হৈছে সকলো ধৰণৰ সাম্প্ৰদায়িকতাৰ বিৰোধী এক স্পষ্ট অৱস্থান। নেহৰুৱে বিশেষকৈ সংখ্যাগুৰু সম্প্ৰদায়ৰ সাম্প্ৰদায়িকতাক তীব্ৰ ভাষাৰে সমালোচনা কৰিছিল আৰু ইয়াক ৰাষ্ট্ৰীয় ঐক্যৰ প্ৰতি এক ভাবুকি বুলিও গণ্য কৰিছিল। তেওঁৰ মতে, ধৰ্মনিৰপেক্ষতাৰ কেৱল কেইটামান নীতিৰ কথা নহয় ই হৈছে ভাৰতবৰ্ষৰ ঐক্য আৰু সংহতিৰ একমাত্ৰ নিশ্চয়তা।




পৃথকীকৰণৰ ওপৰতে গুৰুত্ব নিদিয়ে। তাৰ লগতে বিভিন্ন ধৰ্মৰ মাজৰ সমতাও ভাৰতীয় ধৰ্মনিৰপেক্ষতাৰ এক অন্যতম গুৰুত্বপূৰ্ণ ধাৰণা।

প্ৰশ্ন হয়— কিহে ভাৰতীয় ধৰ্মনিৰপেক্ষতাৰ ধাৰণাটোক বেলেগ কৰিছে? পোনতেই ক'বলৈ গ'লে পশ্চিমীয়া আধুনিক ধাৰণা আৰু জাতীয়তাবাদৰ এই ধাৰণাটো আৰম্ভণিৰ আগেয়ে বিভিন্ন ধৰ্মীয় বিচিত্ৰতাৰ পৰিপেক্ষিতত গঢ় লৈ উঠিছিল। ইতিমধ্যে ভাৰতত এক ধৰ্মীয় সহিষ্ণুতাৰ সংস্কৃতি প্ৰচলিত হৈ আছিল। অৱশ্যে আমি এইটো পাহৰা উচিত নহয় যে সহিষ্ণুতা ধৰ্মীয় প্ৰাধান্যতাৰ লগত জড়িত। ই প্ৰত্যেককে কিছু ক্ষেত্ৰ দিয়ে যদিও এনে স্বাধীনতা অত্যন্ত সীমিত। তদুপৰি সহিষ্ণুতাই তুমি উপযুক্ত বিবেচনা নকৰা মানুহৰ সৈতেও তোমাক থাকিবলৈ শিকায়। এখন ডাঙৰ গৃহযুদ্ধৰ পৰা লাহে লাহে উপশম পোৱা এখন সমাজৰ বাবে ই এক ডাঙৰ গুণ। কিন্তু জনসাধাৰণে সমান মৰ্যাদা আৰু সন্মানৰ কাৰণে সংগ্ৰাম কৰি থকা (এক শান্তিৰ) সময়ত নহয়।

পশ্চিমীয়া আধুনিকতা আৰম্ভণিয়ে ইমানদিনে অৱহেলিত হৈ থকা সমতাৰ ধাৰণাটোক ভাৰতীয় চিন্তাত পুনৰ প্ৰতিষ্ঠা কৰিলে। ই এনে ধাৰণাসমূহক আৰু অধিক শক্তিশালী কৰি তুলিলে যি এক ধৰ্মীয় সম্প্ৰদায়ৰ মাজতে সমতাৰ ওপৰত গুৰুত্ব দিবলৈ ধৰিলে। এইদৰে ভাৰতীয় ধৰ্মনিৰপেক্ষতাই ধৰ্মীয় বিভিন্নতা আৰু পশ্চিমৰ

পৰা অহা ধাৰণাসমূহৰ এক নতুন ৰূপ ধাৰণ কৰিলে। ই বিভিন্ন ধৰ্মৰ মাজৰ আৰু একে ধৰ্মৰ মাজৰো প্ৰাধান্যতাৰ ওপৰত সমানেই গুৰুত্ব দিলে। ভাৰতীয় ধৰ্মনিৰপেক্ষতাই হিন্দু ধৰ্মৰ ভিতৰৰে দলিত আৰু মহিলাসকলৰ শোষণৰ বিৰুদ্ধাচৰণ কৰে বা ইছলাম আৰু খ্ৰীষ্টান ধৰ্মৰ মাহিলাসকলৰ বিৰুদ্ধেও কোনো বৈষম্যৰ অভাৱক সূচায়। তদুপৰি সংখ্যাগৰিষ্ঠ ধৰ্মীয় গোষ্ঠীয়ে সংখ্যালঘিষ্ঠৰ ধৰ্মীয় অধিকাৰৰ প্ৰতি জনোৱা প্ৰত্যাহ্বানৰ বিৰোধিতা কৰে। ভাৰতীয় ধৰ্মনিৰপেক্ষতা কেৱল ব্যক্তিৰে নহয়, ই সংখ্যালঘু সম্প্ৰদায়ৰ ধৰ্মীয় অধিকাৰৰ লগতো জড়িত। এজন ব্যক্তিয়ে নিজৰ বিচাৰ-বিবেচনা মতে নিজৰ ধৰ্ম মানি চলিব পাৰে। ঠিক সেইদৰে ধৰ্মীয় সংখ্যালঘুসকলে তেওঁলোকৰ নিজৰ সংস্কৃতি আৰু শিক্ষানুষ্ঠানসমূহ পৰিচালনা কৰিব পাৰে।

যিহেতু এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰও সমানেই বিভিন্ন ধৰ্মীয় প্ৰাধান্যতাৰ দিশটোৰ লগত জড়িত, ভাৰতীয় ধৰ্মনিৰপেক্ষতাই ৰাষ্ট্ৰ সমৰ্থিত ধৰ্মীয় সংস্কাৰৰ সৈতেও নিজকে জড়িত কৰে। এইবাবেই ভাৰতীয় সংবিধানে অস্পৃশ্যতাক এক অপৰাধ বুলি গণ্য কৰিছে। তদুপৰি ভাৰত ৰাষ্ট্ৰই বাল্যবিবাহ বন্ধ কৰিবলৈ আৰু বিভিন্ন জাতিৰ মাজৰ বৈবাহিক অনুষ্ঠানটো সক্ৰিয় কৰিবলৈ বহুবোৰ আইন প্ৰণয়ন কৰিছে। এইখিনিতে প্ৰশ্ন উঠিছে যে এখন ৰাষ্ট্ৰই ধৰ্মীয় সংস্কাৰ সমৰ্থন কৰিও ধৰ্মনিৰপেক্ষ হৈ থাকিব পাৰেনে? অথবা এখন ৰাষ্ট্ৰই ধৰ্ম আৰু ৰাষ্ট্ৰৰ পৃথকীকৰণত গুৰুত্ব নিদিয়াকৈয়ে নিজকে ধৰ্মনিৰপেক্ষ বুলি দাবী কৰিব পাৰেনে? ভাৰত ৰাষ্ট্ৰৰ ধৰ্মনিৰপেক্ষ বৈশিষ্ট্য এইটোৰ পৰাই প্ৰতিষ্ঠিত হয় যে ই এখন ধৰ্মতান্ত্ৰিক ৰাষ্ট্ৰ নহয় আৰু ই কোনো এক বা বহুবোৰ ধৰ্মক প্ৰতিষ্ঠা কৰা ৰাষ্ট্ৰও নহয়। ই ধৰ্মীয় সমতাৰ ক্ষেত্ৰত এক অতি জটিল নীতি গ্ৰহণ কৰে।

ভাৰত ৰাষ্ট্ৰই নেতিবাচকভাৱে ধৰ্মৰ সৈতে মোকাবিলা কৰি ধৰ্মীয় স্বৈৰাচাৰিতাৰ বিৰোধিতা কৰিব পাৰে। অস্পৃশ্যতাক বাধা দিয়াৰ জৰিয়তে ই এনেধৰণৰ নেতিবাচক দৃষ্টিভংগী প্ৰকাশ কৰিছে। ৰাষ্ট্ৰই এইক্ষেত্ৰত এক ইতিবাচক ভূমিকাও গ্ৰহণ কৰিব পাৰে। উদাহৰণস্বৰূপে, ভাৰতীয় সংবিধানে সকলো ধৰ্মীয় সংখ্যালঘুক নিজ নিজ শিক্ষানুষ্ঠানসমূহ প্ৰতিষ্ঠা আৰু পৰিচালনা কৰাৰ অধিকাৰ দিছে। এনে অনুষ্ঠানসমূহেও ৰাষ্ট্ৰৰ পৰাও সহায়-সহযোগিতা পাব পাৰে। ৰাষ্ট্ৰই এই সকলোধৰণৰ নীতিৰ জৰিয়তে শান্তি, স্বাধীনতা আৰু সমতাক একেলগে আগুৱাই নিয়াৰ চেষ্টা

# ৰাজনৈতিক তত্ত্ব

## ভাবি চাওঁ আহা

ধৰ্মনিৰপেক্ষতাত তলৰ কথাকেইটা মানি ল'ব পাৰিনে?

- ❐ কোনো এটা সংখ্যালঘু সম্প্ৰদায়ৰ ধৰ্মযাত্ৰাৰ বাবে আৰ্থিক সহায় আগবঢ়োৱা।
- ❐ চৰকাৰী কাৰ্যালয়ত ধৰ্মীয় কাম-কাজ সম্পাদন কৰা।

## আমি কৰোঁ আহা

- ❐ 'গৰম হাৱা' আৰু 'বম্বে' নামৰ বোলছবিৰ দুখন ছোৱা। এই দুখন বোলছবিত ধৰ্মনিৰপেক্ষতাৰ কেনে ধৰণৰ আদৰ্শ দাঙি ধৰা হৈছে?
- ❐ আব্দুল ঘনি শ্বেখে লিখা আৰু কথাই প্ৰকাশ কৰা 'Name' নামৰ চুটিগল্পটো পঢ়া। এই গল্পটো 'Foreaking Pradice : Stories from Ladakh' নামৰ কিতাপখনত আছে।

কৰিব পাৰে। আমাৰ আলোচনাৰ পৰা এনে কথা পৰিষ্কাৰ হৈ পৰিছে যে ভাৰতীয় ধৰ্মনিৰপেক্ষতাক কেৱল সকলো ধৰ্মৰ বাবে সমান সন্মান বুলি কোৱাটোৱেই যথেষ্ট নহয়। যদি ইয়াৰ দ্বাৰা এইটো বুজোৱা হৈছে যে সকলো ধৰ্মৰ এক শান্তিপূৰ্ণ সহ-অৱস্থান আছে তেতিয়া হ'লেও ই যথেষ্ট নহয়। ধৰ্মনিৰপেক্ষতা শান্তিপূৰ্ণ সহ-অৱস্থান আৰু সহিষ্ণুতাতকৈ বহু ব্যাপক। যদি এইটোৱেই হয়, ধৰ্ম নিৰপেক্ষতা মানে হ'ল সকলো প্ৰতিষ্ঠিত ধৰ্মৰ প্ৰতি সমান সন্মান, তেতিয়াও ধৰ্মনিৰপেক্ষতাৰ ধাৰণাটো স্পষ্ট নহয়। ভাৰতীয় ধৰ্ম নিৰপেক্ষতাই সকলো ধৰ্মৰ ক্ষেত্ৰতে ৰাষ্ট্ৰিক নীতিভিত্তিক হস্তক্ষেপৰ সুবিধা দিছে। অৱশ্যে এনে হস্তক্ষেপে বিভিন্ন ধৰ্মৰ কিছুমান বিষয়ত হ'লেও এক অবাঞ্ছিত পৰিৱেশৰ সৃষ্টি কৰে।

## ৮.৫ ভাৰতীয় ধৰ্মনিৰপেক্ষতাৰ সমালোচনা (Criticism of Indian Secularism)

ভাৰতীয় ধৰ্মনিৰপেক্ষতাক বিভিন্ন দৃষ্টিভংগীৰে সমালোচনা কৰা হৈছে। এই সমালোচনাবোৰ কেনে ধৰণৰ? এই সমালোচনাৰ পৰা আমি ধৰ্মনিৰপেক্ষতাক ৰক্ষণা-বেক্ষণ দিব পাৰিমনে?

### ধৰ্ম-বিৰোধী (Anti-religious)

পোনতেই এইটো কোৱা হৈছে যে ধৰ্ম নিৰপেক্ষতা ধৰ্ম-বিৰোধী। আমি ইতিমধ্যেই আমাৰ আলোচনাত দেখুৱাইছোঁ যে ধৰ্মনিৰপেক্ষতা আনুষ্ঠানিক ধৰ্মীয় প্ৰাধান্যতাৰ বিৰোধী। ইয়াক ধৰ্ম-বিৰোধী বুলি অভিহিত কৰিব নোৱাৰি।

একে ধৰণে এই যুক্তিও আগবঢ়োৱা হৈছে যে ধৰ্মনিৰপেক্ষতাই ধৰ্মীয় পৰিচয় নোহোৱা কৰে। কিন্তু আমাৰ আলোচনাত আমি ইতিমধ্যে দেখিছো যে ধৰ্মনিৰপেক্ষতাই ধৰ্মীয় স্বাধীনতা আৰু সমতাৰ উত্তৰণহে ঘটায়। সেয়েহে ই ধৰ্মীয় পৰিচয় ৰক্ষাহে কৰে, ইয়াক ধ্বংস নকৰে। অৱশ্যে যিবোৰ ধৰ্মীয় পৰিচয় অতি গোড়া, হিংসাত্মক, মৌলবাদী আৰু যিবোৰে বেলেগ বেলেগ ধৰ্মৰ মাজত হিংসা আৰু বিদ্বেষ বিয়পায়, ধৰ্মনিৰপেক্ষতা সেইবোৰ ধৰ্মীয় পৰিচয়ৰ বিৰোধী।

### পশ্চিমীয়া ধাৰণা (Western Import)

ভাৰতীয় ধৰ্মনিৰপেক্ষতাক এইবুলিও আলোচনা কৰা হৈছে যে ই খ্ৰীষ্টিয়ান ধৰ্ম আৰু পশ্চিমীয়া আদৰ্শৰ সৈতে জড়িত। সেইবাবেই ই ভাৰতীয় পৰিবেশৰ বাবে যোগ্য নহয়। কিন্তু এনে অভিযোগ শুনিলে অতি আচৰিত লাগে। কাৰণ বৰ্তমান ভাৰতবৰ্ষত এনে বহুবোৰ বস্তু আৰু ধাৰণা আছে যিবোৰ পশ্চিমৰ পৰা আহিছে। উদাহৰণস্বৰূপে, ইণ্টাৰনেটৰ পৰা আৰম্ভ কৰি সংসদীয় গণতন্ত্ৰলৈ এই সকলোবোৰেই হ'ল পশ্চিমীয়া ধাৰণা। তুমি কেতিয়াবা এনে অভিযোগ শুনিছানে যে শূন্যটো ভাৰতবৰ্ষত আৱিষ্কাৰ হৈছে কাৰণেও ইউৰোপত শূন্যৰ ধাৰণাটো গ্ৰহণ নকৰিব।

অৱশ্যে ভাৰতীয় ধৰ্মনিৰপেক্ষতাৰ বিৰুদ্ধে এই আলোচনা তেনেই পাতল ধৰণৰ। আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল এয়ে যে এখন ৰাষ্ট্ৰ প্ৰকৃতপক্ষে ধৰ্মনিৰপেক্ষ হ'বলৈ হ'লে ইয়াৰ কিছুমান নিজস্ব উদ্দেশ্য থাকিব লাগিব। পশ্চিমীয়া ৰাষ্ট্ৰসমূহে সামাজিক আৰু ৰাজনৈতিক জীৱনত ধৰ্মীয় কৰ্তৃত্বক প্ৰত্যাহ্বান জনাই ধৰ্মনিৰপেক্ষ হৈ পৰিছিল। সেয়েহে ধৰ্মনিৰপেক্ষতাৰ পশ্চিমীয়া ধাৰণাটো খ্ৰীষ্টিয়ান জগতখনৰ পৰা উৎপত্তি হোৱা বুলি ক'ব নোৱাৰি। ধৰ্মনিৰপেক্ষতা এক পশ্চিমীয়া ধাৰণা বুলি যি দাবী কৰা হৈছে সেই সম্পৰ্কে আমাৰ দৃষ্টিভংগী কি? পশ্চিমীয়া ৰাষ্ট্ৰসমূহত যিদৰে ধৰ্ম আৰু ৰাষ্ট্ৰক পৃথক কৰি ধৰ্ম নিৰপেক্ষতাৰ এক ধাৰণা আগবঢ়োৱা হৈছে, সেই ধাৰণাটো সকলো ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰই গ্ৰহণ নকৰিবও পাৰে। পৃথকীকৰণৰ ধাৰণাটো বেলেগ ৰাষ্ট্ৰ আৰু সমাজত বেলেগকৈ ব্যাখ্যা কৰা হ'ব পাৰে। এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰই ধৰ্মৰ পৰা নীতিগত দূৰত্ব বজাই ৰাখি সমাজত শান্তি প্ৰতিষ্ঠা কৰিব পাৰে আৰু বিশেষ বিশেষ সম্প্ৰদায়ৰ অধিকাৰসমূহ ৰক্ষণাবেক্ষণ দিয়াৰ বাবেও হস্তক্ষেপ কৰিব পাৰে।

দৰাচলতে, ভাৰতবৰ্ষত এইটোৱেই হৈছে। ভাৰতবৰ্ষত ধৰ্মনিৰপেক্ষতাৰ এনে এটা ধাৰণাই বিকাশ লাভ কৰিছে, যাক পশ্চিমীয়া ধাৰণাৰ হুবহু প্ৰতিচ্ছবি বুলি ক'ব নোৱাৰি। দৰাচলতে ধৰ্মনিৰপেক্ষতাৰ ধাৰণাটো পশ্চিমীয়া আৰু অনা-পশ্চিমীয়া দুয়োটা উৎসৰ পৰাই উৎপত্তি হৈছে। পশ্চিমত ৰাষ্ট্ৰ আৰু গিৰ্জাৰ পাৰ্থক্যই হৈছে ধৰ্মনিৰপেক্ষতাৰ মূল ভেটি। ভাৰতৰ দৰে দেশসমূহত বিভিন্ন ধৰ্মীয় সম্প্ৰদায়ৰ মাজৰ শান্তিপূৰ্ণ সহ-অৱস্থানেই হৈছে ধৰ্মনিৰপেক্ষতাৰ মৌলিক চৰ্ত।

### সংখ্যালঘু বাদ (Minoritism)

ভাৰতীয় ধৰ্মনিৰপেক্ষতাৰ বিৰুদ্ধে উত্থাপিত তৃতীয় অভিযোগটো হৈছে যে ই সংখ্যালঘুবাদক উদগণি দিছে। এইটো সঁচা যে ভাৰতীয় ধৰ্মনিৰপেক্ষতাই সংখ্যালঘুৰ অধিকাৰক পোষকতা কৰে। এতিয়া প্ৰশ্ন হৈছে যে এইটো যুক্তিসংগতনে? আমি ধৰি ল'লো যে চাৰিজন প্ৰাপ্তবয়স্ক লোকে আটাইতকৈ খৰতকীয়া গতিৰ এখন ৰে'লগাড়ীৰ এটা দবাত বহি ভ্ৰমণ কৰি আছিল। ভ্ৰমণৰ মাজতে চাৰিজন আৰোহীৰ এজনে ধূমপান কৰিবলৈ বিচাৰিলে। কিন্তু আন এজন আৰোহীয়ে আপত্তি কৰি ক'লে যে তেওঁ ধূমপানৰ ধোঁৱা সহ্য কৰিব নোৱাৰে। বাকী দুজন আৰোহীয়ে ধূমপান কৰে যদিও সেই সম্পৰ্কে তেওঁলোকে একো নক'লে। এই পৰিস্থিতিৰ পৰা মুক্ত হ'বলৈ ভোট লোৱাৰ সিদ্ধান্ত কৰা হ'ল। এইক্ষেত্ৰত তিনিওজন ধূমপান কৰা আৰোহী এফালে আৰু ধূমপান নকৰাজনে আনফালে ভোট দিলে। ইয়াৰ ফলত ধূমপান নকৰা আৰোহীজন দুটা ভোটৰ ব্যৱধানত পৰাজিত হ'ল। সংখ্যালঘু আৰোহীজন, যিজনে ধূমপান নকৰে তেওঁ পৰাজিত হ'ল যদিও এক উপযুক্ত গণতান্ত্ৰিক পদ্ধতিৰে সিদ্ধান্ত গ্ৰহণ কৰা হ'ল।



মই ভাবিছিলো সকলোকে একেধৰণে ব্যৱহাৰ কৰাটো শুদ্ধ নহয়।

এতিয়া এই অৱস্থাটো অলপ বেলেগকৈ ভবা হ'ল। ধৰি লোৱা হ'ল যে ধূমপান নকৰা আৰোহীজন হাপানী ৰোগাক্ৰান্ত। ধূমপানে তেওঁৰ জীৱনলৈ এক বিপদ কঢ়িয়াই আনিব পাৰে। সেয়েহে তেওঁ বিচাৰে যে আন আৰোহীসকলেও ধূমপান নকৰক। এনেকুৱা এটা অৱস্থাত আমি সংখ্যাগৰিষ্ঠ ভোটৰ দ্বাৰা সিদ্ধান্ত লোৱাটো যুক্তিসংগত হ'বনে? তুমি ভাবা নেকি যে ধূমপান কৰা আৰোহীজনে তেওঁৰ

গন্তব্যস্থান নোপোৱালৈকে ধূমপান নকৰিব। এনে অৱস্থাত গণতান্ত্রিক পদ্ধতি হিচাপে ভোটদানৰ পদ্ধতিতো উপযুক্ত বুলি ক'ব নোৱাৰি। প্ৰতিজন ব্যক্তিৰে নিজৰ মৌলিক স্বাৰ্থ ৰক্ষা কৰাৰ এটা অধিকাৰ আছে। এই কথা সম্প্ৰদায়ৰ ক্ষেত্ৰতো প্ৰযোজ্য। সংখ্যালঘুৰ আটাইতকৈ মৌলিক স্বাৰ্থসমূহ অক্ষুণ্ণ ৰাখিব লাগিব, আৰু সেয়া সাংবিধানিক আইনৰ মাজেদিয়ে সম্ভৱ হ'ব। ভাৰতীয় সংবিধানে এনে এক ব্যৱস্থাই কৰিছে। যেতিয়ালৈকে সংখ্যালঘুৰ অধিকাৰে তেওঁলোকৰ মৌলিক স্বাৰ্থৰ ৰক্ষণাবেক্ষণ দিয়ে তেতিয়ালৈকে সংখ্যালঘুৰ অধিকাৰবোৰ যুক্তিসংগত বুলি বিবেচনা কৰিব লাগিব।

এইক্ষেত্ৰত কোনোবাই আকৌ ক'ব পাৰে যে সংখ্যালঘুৰ অধিকাৰসমূহ এনে কিছুমান বিশেষ অধিকাৰ, যিবোৰ আন কিছুমান লোকৰ বিনিময়ত আছে। তেতিয়াহ'লে প্ৰশ্ন উঠে যে এনেকুৱা বিশেষ অধিকাৰবোৰ দিয়াৰ কি প্ৰয়োজন। এই প্ৰশ্নৰ উত্তৰটো আমি আন এক উদাহৰণৰ জৰিয়তে দিব পাৰো। ধৰি ল'লো যে এটা প্ৰেক্ষাগৃহৰ প্ৰথম মহলাত এখন বোলছবি দেখুৱাই থকা হৈছে। প্ৰথম মহলালৈ চিৰিয়েদি উঠি যাব লাগে। প্ৰত্যেকেই টিকট লৈ প্ৰথম মহলালৈ গৈ বোলছবিখন চাব পাৰে। কিন্তু প্ৰকৃতাৰ্থত প্ৰত্যেকেই বোলছবিখন চোৱাৰ কাৰণে সমানেই সুযোগ পাবনে? ধৰি ল'লো বোলছবিখন চাব খোজা মানুহবোৰৰ ভিতৰত কিছুমান বৃদ্ধ লোক, আন কেইজনমান লোক, যাৰ অলপতে ভৰি ভাগিছে আৰু কেইজনমান শাৰীৰিকভাবে প্ৰতিবন্ধী লোক আছে। ইয়াৰে কোনো এজন লোকেও চিৰি বগাই প্ৰথম মহলালৈ উঠি বোলছবিখন চাব নোৱাৰে। এইসকল লোকৰ কাৰণে এটা লিফ্‌টৰ ব্যৱস্থা কৰাটো ভুল হ'ব নেকি? এই লিফ্‌টটোৰ জৰিয়তে এইসকল লোকে প্ৰথম মহলালৈ গৈ বোলছবিখন চাব পাৰিব। ইয়াৰ পৰা বুজিব পাৰি যে এইসকল লোকৰ সংখ্যা কম হ'লেও তেওঁলোক প্ৰথম মহলালৈ যাবলৈ এক বেলেগ ব্যৱস্থাৰ প্ৰয়োজন। যদি সকলোবোৰ ব্যৱস্থা কেৱল ডেকা আৰু সুস্থ লোকসকলৰ কাৰণে হয়, তেন্তে কিছুসংখ্যক লোক সদায়েই জীৱনৰ কিছুমান সা-সুবিধাৰ পৰা বঞ্চিত হৈ থাকিব। তেওঁলোকৰ কাৰণে এনে এক ব্যৱস্থা কৰাটোক বিশেষ ব্যৱস্থা বুলি ক'ব নোৱাৰি। এই ব্যৱস্থাৰ জৰিয়তে তেওঁলোকে আনসকলৰ দৰে একে সমান আৰু মৰ্যাদাৰে জীয়াই থাকিব পাৰিব। ইয়াৰে মূল কথা এয়ে যে সংখ্যালঘুৰ অধিকাৰক বিশেষ অধিকাৰ হিচাপে গণ্য কৰিব নালাগে।

# ৰাজনৈতিক তত্ত্ব



ৰাষ্ট্ৰই সকলো ধৰ্মকে সমভাৱে কিদৰে ব্যৱহাৰ কৰিব। প্ৰত্যেক ধৰ্মৰ লোককে এক সংখ্যক বন্ধৰ দিন ঘোষণা কৰি এই কাম কৰিব পৰা হ'বনে? বা যিকোনো ধৰ্মীয় অনুষ্ঠান ৰাজহুৱাভাৱে বন্ধ কৰি এনে কাৰ্য্য কৰিব পৰা হ'বনে?

**হস্তক্ষেপকাৰী (Interventionist)**

ভাৰতীয় ধৰ্মনিৰপেক্ষতাৰ বিৰুদ্ধে আগবঢ়োৱা আন এক সমালোচনা হৈছে যে ই গোষ্ঠী আৰু সম্প্ৰদায়সমূহৰ ধৰ্মীয় অধিকাৰসমূহৰ সৈতে অত্যধিকভাৱে হস্তক্ষেপ কৰে।

ভাৰতীয় ধৰ্মনিৰপেক্ষতাৰ সম্পৰ্কে ই এক ভুল ধাৰণা। এইটো সঁচা যে ভাৰতীয় ধৰ্ম নিৰপেক্ষতাই ধৰ্মীয় হস্তক্ষেপৰ নীতিটোক সম্পূৰ্ণৰূপে অগ্ৰাহ্য নকৰে। ই কেৱল এইটো কথা সুনিশ্চিত কৰে যে এনে হস্তক্ষেপ অতিমাত্ৰা ৰূপত নহয়। ভাৰতীয় ধৰ্মনিৰপেক্ষতাই ধৰ্মসমূহৰ পৰা এক নীতিগত দূৰত্ব বজাই ৰাখে। তদুপৰি প্ৰয়োজনসাপেক্ষে কৰা হস্তক্ষেপক বলপূৰ্বক হস্তক্ষেপ বুলি অভিহিত কৰিব নোৱাৰি।

এইটো সঁচা যে ভাৰতীয় ধৰ্মনিৰপেক্ষতাই ৰাষ্ট্ৰ সমৰ্থিত ধৰ্মীয় সংস্কাৰত অনুমতি দিয়ে। কিন্তু ইয়াক ওপৰৰ পৰা জাপি দিয়া পৰিৱৰ্তনৰ সৈতে ৰিজাব নালাগে। কিন্তু আজি প্ৰশ্ন উঠিছে যে ভাৰতীয় ধৰ্মনিৰপেক্ষতাই এই কাম একে ধৰণে কৰিব পাৰিছেনে? বিভিন্ন ধৰ্মীয় সম্প্ৰদায়সমূহৰ নিজস্ব আইনসমূহ কিয় সংস্কাৰ কৰা হোৱা নাই? ভাৰত ৰাষ্ট্ৰৰ বাবে ই এক ডাঙৰ সমস্যা। এজন ধৰ্মনিৰপেক্ষ লোকে ধৰ্মসমূহৰ আইনসমূহ যিবোৰে বিয়া-বাৰু, উত্তৰাধিকাৰ আৰু পৰিয়ালৰ আন আন বিষয়সমূহ পৰিচালনা কৰে সেইবোৰ সংবিধানে সুৰক্ষা দিয়া বিভিন্ন ধৰ্মীয় সম্প্ৰদায়ৰ নিৰ্দিষ্ট অধিকাৰ। ধৰ্মনিৰপেক্ষ লোকজনে এইবুলিও ভাবিব পাৰে যে এই আইনসমূহে ধৰ্মনিৰপেক্ষতাৰ মৌলিক নীতিসমূহ ভংগ কৰিছে। কিয়নো এই আইনবোৰে পুৰুষ আৰু মহিলাৰ প্ৰতি একে দৃষ্টিভংগী দেখুওৱা নাই। এনে আইনবোৰক বিভিন্ন ধৰ্মীয় প্ৰাধান্যতা তথা একে ধৰ্মীয় প্ৰাধান্যতাৰ পৰা মুক্ত হোৱাৰ এক প্ৰয়াস বুলি অভিহিত কৰিব পাৰি।

এনে ধৰণৰ সংঘাত যিকোনো জটিল সামাজিক স্থিতিৰ অন্যতম অংগ। কিন্তু মানুহে সদায় সেইবোৰৰ লগতে জীয়াই থাকিব নোৱাৰে। বিভিন্ন ধৰ্মীয় আইনবোৰৰ এনেধৰণে সংস্কাৰ সাধন কৰিব লাগে, যাতে সেইবোৰে সংখ্যালঘুৰ অধিকাৰ সুনিশ্চিত কৰাৰ লগতে পুৰুষ আৰু মাহিলাৰ মাজৰ সমতাও সুনিশ্চিত কৰে। কিন্তু এনে

সংস্কাৰসমূহ ৰাষ্ট্ৰ বা সম্প্ৰদায়সমূহে বলপূৰ্বকভাৱে আনিবলৈ চেষ্টা কৰিব নালাগে। নাইবা ৰাষ্ট্ৰই এইবোৰৰ পৰা সম্পূৰ্ণৰূপে নিলগতো থাকিব নালাগে। ৰাষ্ট্ৰই প্ৰতিটো ধৰ্মৰ মাজৰ উদাৰপন্থী আৰু গণতান্ত্ৰিক শক্তিসমূহক সমৰ্থন কৰিব লাগে।

### ভোট বেংকৰ ৰাজনীতি (Vote Bank Politics)

পঞ্চমতে এইটোও কোৱা হৈছে যে ভাৰতৰ ধৰ্মনিৰপেক্ষতাই ভোট বেংকৰ ৰাজনীতিক উৎসাহিত কৰিছে। বাস্তৱ ক্ষেত্ৰত ইয়াক সম্পূৰ্ণ মিছা বুলিও ক'ব নোৱাৰি। এই বিষয়টো আমি ভালদৰে বিচাৰ কৰি চোৱাৰ প্ৰয়োজন আছে। প্ৰথমতে স্বীকাৰ কৰিবই লাগিব যে গণতন্ত্ৰত ৰাজনীতিবিদসকলে জনসাধাৰণৰ ভোট বিচাৰিবই লাগিব। গণতান্ত্ৰিক ৰাজনীতিৰ ই অন্য এক দিশ। এটা নতুন নীতি গ্ৰহণ কৰাৰ আশ্বাস দি জনসাধাৰণৰ পৰা ভোট বিচৰাৰ কাৰণে কোনো ৰাজনীতিবিদকেই দোষাৰোপ কৰিব নোৱাৰি। প্ৰকৃত কথাটো হৈছে যে কি কাৰণে ভোট বিচৰা হৈছে।

ৰাজনীতিবিদৰ ব্যক্তিগত স্বাৰ্থ আৰু ক্ষমতা লাভৰ বাবে ভোট বিচৰা হৈছে নে জনসাধাৰণৰ স্বাৰ্থৰ কথাও তাত নিহিত হৈ আছে, সেই কথাটো জনাৰ প্ৰয়োজন। যদি এজন ৰাজনীতিবিদক ভোট দিয়াৰ কাৰণে জনসাধাৰণে কোনো ধৰণৰ সুবিধা নাপায়, তেতিয়া নিশ্চয়কৈ ৰাজনীতিবিদজনক দোষাৰোপ কৰিবই লাগিব। যদি ধৰ্মনিৰপেক্ষ ৰাজনীতিবিদ যিসকলে সংখ্যালঘুসকলৰ ভোট বিচাৰিছিল আৰু সংখ্যালঘুসকলকো তেওঁলোকে বিচৰা মতে দিব পাৰিছে, সেয়া নিঃসন্দেহে ধৰ্মনিৰপেক্ষতাৰ জয়।

কিন্তু যদি একাংশ জনসাধাৰণৰ কল্যাণ সাধন কৰিবলৈ গৈ আন একাংশ লোকৰ কল্যাণ আৰু অধিকাৰক জলাঞ্জলি দিবলগীয়া হয়, তেতিয়া সেয়া কেনেকুৱা পৰিস্থিতি হ'ব?

যদি সংখ্যাগুৰুসকলৰ স্বাৰ্থ ধৰ্মনিৰপেক্ষ ৰাজনীতিবিদসকলে আওকাণ কৰে সেয়াও কেনে এক পৰিস্থিতি হ'ব। এনে অৱস্থাত এক নতুন সামাজিক অন্যায়ৰ সূচনা হ'ব। এনে উদাহৰণ ভাবি উলিয়াব পাৰিবানে? এনে অৱস্থাত বহুতেই ভাবিব পাৰে যে গোটেই ব্যৱস্থাটোৱেই কেৱল সংখ্যালঘুৰ স্বাৰ্থ ৰক্ষাৰ বাবেহে।

গভীৰকৈ ভাবিলে ভাৰতবৰ্ষত এনে হোৱা যেন নালাগে। আন কথাত ক'বলৈ গ'লে ভোট বেংকৰ ৰাজনীতি নিজেই এক সমস্যা নহয়। সমস্যা হৈছে ভোট বেংকৰ

ৰাজনীতিৰ ধৰণক লৈহে, যিটোৱে সমাজত অন্যায়ৰ সূচনা কৰে। কেৱল ধৰ্মনিৰপেক্ষ দলসমূহে ভোট বেংকৰ ব্যৱহাৰ কৰিব খোজাটো সমস্যাৰ কাৰক নহয়। গণতন্ত্ৰত সকলো দলেই এনে কৰে।

**অসম্ভৱ কাৰ্য (Inpossible Project)**

কিছুমান লোকে ভাবে যে ধৰ্মনিৰপেক্ষতাৰ ধাৰণাটো অচল। কাৰণ ই একেলগে বহু কিবা-কিবি কৰিব খোজে। এই সমস্যাটো আচলতে কি? ধৰ্মীয় পাৰ্থক্য থকা লোকসকল একেলগে থাকিব নোৱাৰিব বুলি ভবা হৈছিল। বাস্তৱ ভিত্তিত ই এক ভুল কথা। ভাৰতীয় সভ্যতাৰ ইতিহাসে এই কথা দেখুৱাইছে যে এনে ধৰণে বাস কৰাটো সম্ভৱ। পৃথিৱীৰ আন আন দেশতো এনে হৈছে। অটোমান সাম্ৰাজ্য ইয়াৰ এক বিশেষ উদাহৰণ। এতিয়া সমলোচক সকলে কয় যে অসমতাৰ পৰিপ্ৰেক্ষিততো সহ-অৱস্থান সম্ভৱ। প্ৰত্যেকেই নিজৰ নিজৰ বাবে এটা ঠাই নিৰ্দিষ্ট কৰি ল'ব পাৰে।

আন এটা ধৰণে এইটো সমলোচনাৰ সন্মুখীন হ'ব পাৰি। ভাৰতীয় ধৰ্মনিৰপেক্ষতাই এক অসম্ভৱ উদ্দেশ্যত উপনীত হোৱাৰ পৰিৱৰ্তে পৃথিৱীৰ ভৱিষ্যতৰ এখন ছবি দাঙি ধৰিব খোজে। ভাৰতৰ এই পৰীক্ষা সমগ্ৰ পৃথিৱীয়ে লক্ষ্য কৰি আছে। ইউৰোপ, আমেৰিকা আৰু মধ্য প্ৰাচ্যৰ কিছুমান দেশ আৰু কিছুমান অংশ সাংস্কৃতিক আৰু ধৰ্মীয় অনৈক্যৰ ভিত্তি ভাৰতৰ দৰে হৈ পৰিছে। এই সমাজবোৰে আজি ভাৰতবৰ্ষত ধৰ্মনিৰপেক্ষতাৰ পৰীক্ষালৈ গভীৰ আগ্ৰহেৰে লক্ষ্য কৰি আছে।



Daily Assam

ভাৰতৰ চৰকাৰী ঘোষণা-পত্ৰত উল্লেখিত বন্ধৰ তালিকাখন পঢ়া। এইখনে ভাৰতবৰ্ষৰ ধৰ্মনিৰপেক্ষতাক সমৰ্থন জনাইনে? তোমাৰ যুক্তি দাঙি ধৰা।

| বন্ধৰ নাম | গ্ৰিগোৰিয়ান কেলেণ্ডাৰ মতে দিনবোৰ (২০০৬ৰ বাবে) |
|---|---|
| ১) ঈদ-উদ-জাহা (বক্ৰি ইদ) | ১১ জানুৱাৰী |
| ২) গণতন্ত্ৰ দিৱস | ২৬ জানুৱাৰী |
| ৩) মহৰম | ৯ ফেব্ৰুৱাৰী |
| ৪) ফাকুৱা | ১৫ মাৰ্চ |
| ৫) ৰাম নৱমী | ৬ এপ্ৰিল |
| ৬) মহাবীৰ জয়ন্তী | ১১ এপ্ৰিল |
| ৭) মিলাদ-উন-নৱী (প্ৰফেট মহম্মদৰ জন্মদিন) | ১১ এপ্ৰিল |
| ৮) গুড ফ্ৰাইডে | ১৪ এপ্ৰিল |
| ৯) বুদ্ধ পূৰ্ণিমা | ১৩ মে’ |
| ১০) স্বাধীনতা দিৱস | ১৫ আগষ্ট |
| ১১) জন্মষ্টমী | ১৬ আগষ্ট |
| ১২) মহাত্মা গান্ধীৰ জন্মদিন | ২ অক্টোবৰ |
| ১৩) বিজয়া দশমী | ২ অক্টোবৰ |
| ১৪) দীপাৱলী | ২১ অক্টোবৰ |
| ১৫) ঈদ-উল-ফিতৰ | ২৫ অক্টোবৰ |
| ১৬) গুৰু নানকৰ জন্মদিন | ৫ নৱেম্বৰ |
| ১৭) বৰদিন | ২৫ ডিচেম্বৰ |



Daily Assam

# অনুশীলনী

১. তোমাৰ মতে তলৰ কোনবোৰ ধৰ্মনিৰপেক্ষতাৰ ধাৰণাৰ লগত সুসঙ্গত? কাৰণ দৰ্শোৱা।

(ক) এটা ধৰ্মীয় গোটৰ অন্য এটা গোটৰ ওপৰত থকা প্ৰাধান্যতাৰ পৰা আঁতৰি থাকা।

(খ) ৰাষ্ট্ৰৰ স্বীকৃতিপ্ৰাপ্ত ধৰ্ম।

(গ) ৰাষ্ট্ৰৰ সকলো ধৰ্মৰ প্ৰতি সমান সমৰ্থন।

(ঘ) বিদ্যালয়ত বাধ্যতামূলক প্ৰাৰ্থনা।

(ঙ) কোনো এক সংখ্যালঘু সম্প্ৰদায়ৰ বাবে আছুতীয়া শিক্ষা অনুষ্ঠানৰ অনুমতি প্ৰদান।

(চ) চৰকাৰৰ দ্বাৰা মন্দিৰ পৰিচালনা কমিটীৰ নিযুক্তিকৰণ।

(ছ) দলিতসকলৰ মন্দিৰত প্ৰৱেশ নিশ্চিতকৰণত ৰাষ্ট্ৰৰ হস্তক্ষেপ।

২. পশ্চিমীয়া আৰু ভাৰতীয় ধৰ্মনিৰপেক্ষতাৰ আদৰ্শৰ কিছুমান মূল বৈশিষ্ট্যৰ সংমিশ্ৰণ ঘটোৱা। সেইবোৰ পৃথক কৰি এখন নতুন তালিকা প্ৰস্তুত কৰা।

| পশ্চিমীয়া ধৰ্মনিৰপেক্ষতা | ভাৰতীয় ধৰ্মনিৰপেক্ষতা |
|---|---|
| ধৰ্মীয় আৰু ৰাষ্ট্ৰীয়, পৰস্পৰৰ কাম-কাজত হস্তক্ষেপ নকৰিবলৈ দৃঢ়। | ৰাষ্ট্ৰীয় সমৰ্থিত ধৰ্মৰ সংস্কাৰৰ অনুমতি প্ৰদান। |
| বিভিন্ন ধৰ্মীয় গোটৰ মাজত সমানতাৰ এটা মূল চিন্তন। | এটা ধৰ্মৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত সমানতাক গুৰুত্ব। |
| সংখ্যালঘুৰ অধিকাৰলৈ মনোযোগ দিয়া | সম্প্ৰদায়ভিত্তিক অধিকাৰসমূহত কমভাৱে মনোযোগ দিয়া। |
| কেন্দ্ৰত ব্যক্তিৰ আৰু তেওঁৰ ব্যক্তিৰ অধিকাৰ | ব্যক্তিগত আৰু ধৰ্মীয় সম্প্ৰদায়ৰ অধিকাৰক ৰক্ষণাবেক্ষণ দিয়া। |

# ধৰ্ম নিৰপেক্ষতা

## অনুশীলনী

ধৰ্মনিৰপেক্ষতা বুলিলে তুমি কি বুজা? ইয়াক ধৰ্মীয় সহিষ্ণুতাৰ লগত সমান বুলি গণ্য কৰিব পাৰিনে?

তলৰ উক্তিবোৰৰ লগত তুমি একমত নে? সেইবোৰক সমৰ্থন বা বিৰোধিতা কৰাৰ কাৰণ দৰ্শোৱা।

(ক) এটা ধৰ্মক পৰিচয় দিয়াত ধৰ্মনিৰপেক্ষতাই আমাক অনুমতি নিদিয়ে।

(খ) ধৰ্মনিৰপেক্ষতা সদায় এটা ধৰ্মীয় গোটৰ ভিতৰত অথবা বিভিন্ন ধৰ্মীয় গোটৰ মাজত থকা অসমতাৰ বিপক্ষে থাকে।

(গ) ধৰ্মনিৰপেক্ষতাৰ এটা উৎস হ'ল পশ্চিমীয়া খ্ৰীষ্টান ধৰ্ম। ই ভাৰতীয়ৰ বাবে উপযুক্ত নহয়।

ভাৰতীয় ধৰ্মনিৰপেক্ষতাই ধৰ্ম ৰাষ্ট্ৰৰ পৃথকীকৰণত অধিক গুৰুত্ব দিছে। ব্যাখ্যা কৰা।

নীতিগত দূৰত্বৰ ধাৰণাৰ বিষয়ে ব্যাখ্যা কৰা।

Daily Assam